জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৯৪/২০২১

# তাই আহোম আৰু মটক সম্প্ৰদায়ৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

**দিছপুৰ, ২৬ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত তাই আহোম সম্প্ৰদায়ৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধিৰ সৈতে এক বৈঠকত মিলিত হয়। এই বৈঠকত সদৌ তাই আহোম ছাত্ৰ সন্থা, তাই আহোম যুৱ পৰিষদ অসম, পূৰ্বাঞ্চল তাই সাহিত্য সভা, সদৌ অসম আহোম সভা, মহন দেওধাই বাইলুং সন্মিলনৰ প্ৰতিনিধিসকলে তেওঁলোকৰ সম্প্ৰদায়সমূহৰ বিভিন্ন বিষয় মুখ্যমন্ত্ৰীক অৱগত কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে তাই ভাষাটো জনপ্ৰিয়কৰণ তথা বৰ্তাই ৰখাৰ বাবে ৰাজ্য চৰকাৰে তাই ভাষা শিক্ষণ কেন্দ্ৰ এটা স্থাপন কৰিব। ৰাজ্যখনৰ ট্ৰাইবেল ব্লক আৰু বেল্টসমূহত আহোমসকলক সংৰক্ষিত শ্ৰেণীৰ মৰ্যাদা প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যোৰহাটত থকা চ্যুকাফা সমন্বয় ক্ষেত্ৰক পৰ্যটনৰ এক উল্লেখযোগ্য স্থান হিচাপে ৰূপান্তৰ কৰা হ'ব আৰু ইয়াৰ সকলো কাম দুই বছৰৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে শিৱসাগৰৰ জয়সাগৰত এটা তাই সংগ্ৰহালয় আৰু ৰংঘৰ চৌহদত জয়মতী সংগ্ৰহালয় স্থানপ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসম দৰ্শন আঁচনিৰ অধীনত আহোমসকলৰ উপাসনাথলীসমূহ সংৰক্ষণ আৰু সংৱৰ্দ্ধন কৰাৰ লগতে জনতা ভৱনত চ্যুকাফাৰ এটা প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে তাই আহোম উন্নয়ন পৰিষদলৈ প্ৰদান কৰিবলগীয়া ১২৫ কোটি টকা এই বৰ্ষৰ নৱেম্বৰৰ ৩০ তাৰিখৰ ভিতৰত মোকলাই দিয়া হ'ব। সম্প্ৰদায়টোৰ কমকৈ জ্ঞাত ঐতিহাসিক স্থান তথা সমলসমূহৰ সংৰক্ষণৰ বাবে এই পুঁজি ব্যৱহাৰ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। স্বৰ্গদেউ চ্যুকাফা বিশ্ববিদ্যালয় স্থাপনৰ প্ৰস্তাৱটো চৰকাৰে ইতিবাচক দিশেৰে বিবেচনা কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰতিনিধিবৰ্গক কয়। তাইসকলৰ জনজাতিকৰণৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে তাই আহোম সম্প্ৰদায়ৰ সংগঠনসমূহৰ লগত ট্ৰাইবেল সংঘৰ প্ৰতিনিধিবৰ্গৰ এক বৈঠক অনুষ্ঠিত কৰাৰ বাবে আহ্বান জনায় যাতে বিষয়সমূহৰ সমাধানসূত্ৰ উলিয়াই আগবাঢ়িব পৰা যায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসমৰ সকলো খিলঞ্জীয়া সম্প্ৰদায়সমূহ একত্ৰিত হৈ থাকিব লাগিব যাতে প্ৰব্ৰজনকাৰীসকলৰ পৰা চ্যুকাফাৰ অসমক সুৰক্ষিত কৰিব পৰা যায়।

আজিৰ এই বৈঠকত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুও উপস্থিত থাকে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

আনহাতে, মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি ৰাজ্যখনৰ মটক সম্প্ৰদায়ৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধিবৰ্গৰ সৈতেও আন এখন বৈঠকত মিলিত হয়। অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এই বৈঠকত মটক স্বায়ত্ত শাসতি পৰিষদ, সদৌ অসম মটক সন্মিলন, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলন, সদৌ অসম মটক মহিলা পৰিষদৰ প্ৰতিনিধিসকলে তেওঁলোকৰ সম্প্ৰদায়ৰ বিভিন্ন বিষয় মুখ্যমন্ত্ৰীক অৱগত কৰাৰ লগতে সম্প্ৰদায়টোৰ সৰ্বাংগীন কল্যাণৰ বিভিন্ন পৰিকল্পনাৰ বিষয়েও আলোচনা কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে মটক সম্প্ৰদায়ৰ লোকসকললৈ অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰমাণপত্ৰ প্ৰদান কৰাৰ দিশত সদৌ অসম মটক সন্মিলনক সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰা হ'ব। ৰাজ্যখনৰ বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানত মটক সম্প্ৰদায়ৰ আসন সংৰক্ষণ নিৰ্দ্ধাৰণ কৰাৰ বাবে বিভিন্ন বিভাগৰ মন্ত্ৰীসকলক সামৰি এখন সমিতি গঠন কৰা হ'ব। সম্প্ৰদায়টোৰ ভূমি সম্বন্ধীয় বিষয়সমূহ আলোচনা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে 'মিছন বসুন্ধৰা'ৰ অধীনত সময় সাপেক্ষ আৰু স্বচ্ছতাৰে এই বিষয়সমূহ নিষ্পত্তি কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰে মটক সম্প্ৰদায়লৈ জনজাতিৰ মৰ্যাদা প্ৰদানৰ অনুমোদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণৰ দিশত নীতিগতভাৱে সন্মতি প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰে মটক উন্নয়ন পৰিষদৰ শক্তিশালীকৰণৰ বাবে পদক্ষেপ ল'ব। পৰিষদখনলৈ ২৫ কোটি টকা প্ৰদানৰ দায়বদ্ধতা ৩০ নৱেম্বৰৰ ভিতৰত পূৰণ কৰা হ'ব। এই পুঁজি ব্যৱহাৰ তথা প্ৰস্তাৱসমূহৰ ওপৰত ভিত্তি কৰি আৰু অধিক পুঁজি আগবঢ়োৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে গুৱাহাটীত মটক ভৱন নিৰ্মাণৰ বাবে ভূমি প্ৰদান, মায়ামৰা সত্ৰক বেদখলৰ পৰা মুক্তকৰণ, সম্প্ৰদায়টোৰ ঐতিহাসিক স্থান আৰু সমল সংৰক্ষণ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনিৰুদ্ধদেৱ আসন কাৰ্যক্ষম কৰাৰ দিশত ৰাজ্য চৰকাৰে ক্ষিপ্ৰতাৰে পদক্ষেপ ল'ব বুলিও কয়। মটক সম্প্ৰদায়ৰ সংগঠনসমূহক সম্প্ৰদায়টোৰ মাজত শৈক্ষিক পৰিৱেশ সৃষ্টি তথা মটক সম্প্ৰদায়ৰ শিক্ষিত যুৱক-যুৱতীসকলক সম্প্ৰদায়টোৰ সামুহিক উন্নয়নৰ দিশত ঐকান্তিকতাৰে কাম কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকতে আহ্বান জনায়।

আজিৰ এই বৈঠকত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা উপস্থিত থাকে।

**স্বাক্ষৰ / বংভাঃ**
**২৬-০৯-২০২১**